**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

000000000

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আবুজাত নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি বোলা আহমেদ তিনুবুৰ সৈতে আলোচনাত মিলিত হ'ব।

২। DRDOই কালি ড০ এ পি জে আব্দুল কালাম দ্বীপৰ পৰা দেশৰ প্ৰথমটো শব্দতকৈ বেগী দীৰ্ঘ দূৰত্বভেদী ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ সম্পন্ন কৰে।

৩। মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান সামৰণি পৰাৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনত প্ৰচাৰ তুংগত উঠিছে। ঝাৰখণ্ডতো দ্বিতীয় পৰ্য্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে।

৪। মণিপুৰৰ পৰিস্থিতি ক্ৰমান্বয়ে বেয়াৰ পিনে ঢাল খাইছে।

*আৰু*

৫। ভাৰত আজি মহিলাৰ এছিয়ান ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আবুজাত নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি বোলা আহমেদ তিনুবুৰ সৈতে আলোচনাত মিলিত হ'ব। প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি তিনুবুই উভয় দেশৰ মাজৰ কৌশলগত সহযোগিতাৰ পৰ্যালোচনা চলাব আৰু দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰিব। এই আলোচনাৰ অন্তত কেইবাখনো চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী মোদীয়ে নাইজেৰিয়াত বাস কৰা ভাৰতীয় মূলৰ লোক সকলৰ এটা সমাৰেশতো ভাষণ দিব। নাইজেৰিয়াই প্ৰধানমন্ত্ৰী মোদীক গ্ৰেণ্ড কমাণ্ডাৰ অৱ দ্যা অৰ্ডাৰ অৱ দ্যা নাইজাৰ সন্মানেৰে বিভূষিত কৰিব। তেওঁ এই সন্মান লাভ কৰা দ্বিতীয়গৰাকী বিদেশী ব্যক্তি হ'ব। ইয়াৰ পূৰ্বে ১৯৬৯ চনত কুইন এলিজাবেথক এই সন্মান প্ৰদান কৰা হৈছিল। এইটো প্ৰধানমন্ত্ৰী মোদীয়ে লাভ কৰা সপ্তদশ আন্তঃৰাষ্ট্ৰীয় সন্মান হ'ব।

শ্ৰী মোদী যোৱা নিশা দুদিনীয়া ভ্ৰমণসূচীৰে নাইজেৰিয়াত উপস্থিত হয়। তেওঁক দেশখনত বিপুলভাৱে আদৰণি জনোৱা হয়। বিগত ১৭ বছৰত এয়া কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম নাইজেৰিয়া ভ্ৰমণ। প্ৰধানমন্ত্ৰীক আবুজাৰ কী টু দ্যা চিটী প্ৰদান কৰা হয়। এই চাবিকাঠী নাইজেৰিয়াৰ

জনসাধাৰণৰ বিশ্বাস আৰু সন্মানৰ প্ৰতীক। শ্ৰীমোদীক নাইজেৰিয়াত বাস কৰা মাৰাঠী সম্প্ৰদায়ৰ লোকসকলে মাৰাঠীক ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা প্ৰদানৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰী মোদী নাইজেৰিয়া ভ্ৰমণ সামৰি জি-২০ শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'লৈ যাব। ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইছ ইনাছিঅ' লুলা দ্যা ছিলভাই এই সন্মিলনৰ আত ধৰিব। ভাৰত, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকা জি-২০ ট্ৰোইকাৰ অংশ আৰু দেশ তিনিখনে জি-২০ শীৰ্ষ সন্মিলনৰ আলোচনাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আহিছে। সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন গোলকীয় বিষয়ত ভাৰতৰ স্থিতিৰ বিষয়ে অৱগত কৰিব আৰু জি-২০ নতুন দিল্লী ঘোষণাপত্ৰ অনুসৰি লোৱা পদক্ষেপৰ লগতে ভাৰতে যোৱা কেইটামান বছৰত আয়োজন কৰা ভইচ অব দি গ্লোবেল ছাউথ সন্মিলনৰ লাভালাভ সম্পৰ্কে আলোচনা কৰিব। জি-২০ শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে শ্ৰী মোদীয়ে কেইবাগৰাকীও নেতাৰ সৈতে আলোচনাত মিলিত হোৱাৰ সম্ভাৱনা আছে। এই ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী পৰহিলৈ তিনি দিনীয়া ভ্ৰমণসূচীৰে গায়ানাত উপস্থিত হ'ব।

০০০০০০০০০

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা - DRDOই কালি ওড়িশাৰ ড০ এ পি জে আব্দুল কালাম দ্বীপৰ পৰা দেশৰ প্ৰথমটো শব্দতকৈ বেগী দীৰ্ঘ দূৰত্বভেদী ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ সম্পন্ন কৰে। সশস্ত্ৰ বাহিনীসমূহৰ বাবে এহেজাৰ ৫০০ কিলোমিটাৰতকৈ অধিক দূৰত্বলৈ সমৰাস্ত্ৰ কঢ়িয়াই নিয়াৰ বাবে এই ক্ষেপণাস্ত্ৰ বিকশাই তোলা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সামাজিক মাধ্যমযোগে  এই ক্ষেপণাস্ত্ৰবিধৰ সফল পৰীক্ষণৰ ঐতিহাসিক সাফল্য বুলি অভিহিত কৰে। এই পৰীক্ষণৰ পাছত এনেধৰণৰ জটিল আৰু অত্যাধুনিক সামৰিক প্ৰযুক্তিৰ সামৰ্থ্য বিশিষ্ট কেইখনমান বছা বছা দেশৰ ভিতৰত ভাৰতৰ নামো অন্তৰ্ভুক্ত হোৱা বুলি উল্লেখ কৰি শ্ৰীসিঙে এই সফল পৰীক্ষণৰ বাবে DRDO, সশস্ত্ৰ বাহিনী আৰু প্ৰতিৰক্ষা উদ্যোগ জগতক অভিনন্দন জনাইছে।

০০০০০০০০০

মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান সামৰণি পৰাৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনত প্ৰচাৰ তুংগত উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে ৰাজ্যখনৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি গড়চিৰোলি, ৱাৰ্ধা আৰু নাগপুৰত দলৰ হৈ প্ৰচাৰ অভিযানত ভাগ ল'ব। একেদৰে, এন চি পিৰ সভাপতি অজিত পাৱাৰে অহিল্যা নগৰ, পুনে, চতাৰা আৰু কোলহাপুৰত দলৰ হৈ প্ৰচাৰ চলাব। আনহাতে, কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গেই আজি নাগপুৰ, কোলহাপুৰ আৰু চাংলিত প্ৰচাৰ অভিযানত ভাগ ল'ব। এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সভাপতি শাৰদ পাৱাৰেও আজি পুনে আৰু ৰায়গড়ৰ ভিন ভিন সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। আনহাতে, শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ সভাপতি উদ্ধৱ থাকৰেই আজি পালঘৰ আৰু চাতাৰাত প্ৰচাৰ চলাব।

ঝাৰখণ্ডতো ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা দেখা গৈছে। বিজেপিৰ সভাপতি জে পি নাড্ডাই আজি গোমিয়া, সিন্দ্ৰি আৰু নালাত তিনিখন নিৰ্বাচনী সভাত ভাগ ল'ব। ঝাৰখণ্ড মুক্তি মৰ্চাৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী হেমন্ত চোৰেণেও আজি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ছখন নিৰ্বাচনী সভাক সম্বোধন কৰাৰ কথা আছে। কংগ্ৰেছ নেতাসকলেও ৰাজ্যখনৰ

ভিন ভিন অংশত এলানি নিৰ্বাচনী সভাত ভাষণ দিব। ইপিনে, আৰ জে ডি নেতা তেজস্বী যাদৱে আজি ধনবাদত এটা সমাৱেশক সম্বোধন কৰিব।

০০০০০০০০০

মণিপুৰৰ পৰিস্থিতি ক্ৰমান্বয়ে বেয়াৰ পিনে ঢাল খাইছে। জিৰিবাম জিলাৰ পৰা ছদিন পূৰ্বে তিনিটি শিশু আৰু তিনিগৰাকী মহিলা সন্ধানহীন হোৱাৰ পাছত শেহতীয়াকৈ আটাইকেইগৰাকীৰে মৃতদেহ উদ্ধাৰ হোৱা ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যখনৰ পৰিস্থিতি পুনৰ জটিল হৈ পৰিছে। শুকুৰবাৰে নিশা আৰু শনিবাৰে মৃতদেহকেইটা নদীত উদ্ধাৰ হোৱাৰ পাছত কালিৰে পৰা মেইটেই লোকৰ প্ৰতিবাদত ৰাজ্যখনৰ পৰিস্থিতি উত্তাল হৈ পৰিছে। একাংশ প্ৰতিবাদকাৰীয়ে কালি ৰাজ্যখনৰ দুজন মন্ত্ৰী আৰু তিনিজন বিধায়কৰ বাসগৃহত আক্ৰমণ কৰাৰ পাছত ইম্ফলত সান্ধ্য আইন জাৰি কৰাৰ লগতে চাৰিখন জিলাত ইণ্টাৰনেট সেৱা কৰ্তন কৰি ৰখা হৈছে। উল্লেখযোগ্য যে সোমবাৰে নিৰাপত্তাৰক্ষীৰে হোৱা সংঘৰ্ষত ১০ জন সন্দেহযুক্ত কুকি উগ্ৰপন্থী নিহত হৈছিল। একেদিনাই সন্দেহযুক্ত কুকি উগ্ৰপন্থীয়ে তিনিটি শিশুসহ তিনিগৰাকী মহিলাক অপহৰণ কৰাৰ ঘটনা পোহৰলৈ আহিছিল। ইয়াৰ পাছতে অপহৃতসকলৰ মৃতদেহ উদ্ধাৰ হোৱাত তেওঁলোকক নাৰত উঠাই নি কুকি উগ্ৰপন্থীয়ে নদীত পেলাই দিয়াৰ সন্দেহ কৰা হৈছে। কালি শিলচৰ মেডিকেল কলেজ হাস্পতালৰ মৰ্গত থকা ১০ জন সন্দেহযুক্ত কুকি উগ্ৰপন্থীৰ মৃতদেহ মণিপুৰক গতাই দিয়াক কেন্দ্ৰ কৰিও হাস্পতালখনৰ চৌহদত উত্তাল পৰিস্থিতিৰ সৃষ্টি হয়। একাংশ কুকি লোকে মৃতদেহকেইটা পৰিয়ালৰ লোকক চমজাই দিয়াৰ দাবীৰে প্ৰতিবাদ সাব্যস্ত কৰে।

ইপিনে মণিপুৰত শান্তি শৃংখলা ঘূৰাই আনিবলৈ সুৰক্ষা বাহিনীসমূহক প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ গৃহ মন্ত্ৰালয়ে নিৰ্দেশ দিছে। মন্ত্ৰালয় এটা বিবৃতিযোগে দুয়োটা সম্প্ৰদায়ৰ সশস্ত্ৰ দুষ্কৃতিকাৰী হিংসাত লিপ্ত হোৱাৰ ফলত একাংশ নিৰপৰাধী লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে বুলি প্ৰকাশ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত হিংসা অথবা অশূয়াজনিত কাৰ্যকলাপৰ সৈতে জড়িত লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্ত্ৰালয়ে সকীয়াই দিছে। এই সংক্ৰান্তীয় গুৰুত্বপূৰ্ণ গোচৰসমূহ ফলপ্ৰসূ আৰু খৰতকীয়া তদন্তৰ খাতিৰত ৰাষ্ট্ৰীয় তদন্ত সংস্থালৈ হস্তান্তৰ কৰা হৈছে। ইয়াৰ লগতে মন্ত্ৰালয়ে জনসাধাৰণক শান্তি বৰ্তাই ৰাখিবলৈ, কোনো ধৰণৰ উৰা বাতৰিত ভোল নাযাবলৈ আৰু ৰাজ্যখনত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে সুৰক্ষা বাহিনীৰ সৈতে সহযোগিতা কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০০০

শ্ৰীলংকাত কাইলৈ নতুন মন্ত্ৰীসভাৰ শপত গ্ৰহণ অনুষ্ঠিত হ'ব। স্থানীয় সংবাদ মাধ্যমৰ পৰা প্ৰকাশ পোৱা বাতৰি অনুসৰি, ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিছানায়কে প্ৰতিৰক্ষা আৰু বিত্ত বিভাগ নিজৰ হাতত ৰাখি ২৩ জনীয়া সদস্যৰে নতুন মন্ত্ৰীসভা নিযুক্তি দিয়াৰ পৰিকল্পনা কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, ড০ হৰিণী অমৰাসূৰ্য্যাক পুনৰ প্ৰধানমন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰাৰ আৰু বিজিথা হেৰাথক বিদেশ মন্ত্ৰীৰ দায়িত্ব ন্যস্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০০০০০

আয়ুষ্মান বৃদ্ধ বন্দনা কাৰ্ড প্ৰৱৰ্তনৰ তিনি সপ্তাহৰ ভিতৰত ১০ লাখৰো অধিক জ্যেষ্ঠ নাগৰিকে এই কাৰ্ডৰ বাবে নাম পঞ্জীয়ন কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি আয়ুষ্মান বৃদ্ধ বন্দনা কাৰ্ডৰ বাবে নাম পঞ্জীয়ন কৰাসকলৰ ভিতৰত প্ৰায় ৪ লাখ মহিলা আছে। ইয়াৰ ফলত এহেজাৰ ৪০০ গৰাকী মহিলাসহ ৭০ বছৰ আৰু ইয়াৰ ঊৰ্ধৰ ৪ হাজাৰ ৮০০ গৰাকীৰো অধিক জ্যেষ্ঠ নাগৰিক উপকৃত

হ'ব। এই কাৰ্ডৰ জৰিয়তে প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত মিছনৰ অধীনত বিনামূলীয়া স্বাস্থ্য সেৱাৰ সুবিধা লাভ কৰিব পৰা যায়।

০০০০০০০০০

ভাৰত আজি বিহাৰৰ ৰাজগীৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ এছিয়ান ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৪ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। ভাৰতে প্ৰতিযোগিতাত জয়ৰ ধাৰা অব্যাহত ৰাখি কালি চীনক ৩-০ গলত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰতে চাৰিখন খেলৰ পৰা ১২ পইণ্ট লাভ কৰি সম্প্ৰতি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে।

০০০০০০০০০

সমাপ্ত